# **REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-07-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১।	শিক্ষাৰ্থীসকলক অত্যাধুনিক তথ্য প্ৰযুক্তিৰ জ্ঞান আহৰণেৰে নিজকে সাম্প্ৰতিক সময়ৰ উপযোগী কৰি গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

২।	১০টা শ্ৰমিক সংগঠনৰ যৌথ মঞ্চই আহ্বান জনোৱা ভাৰত বন্ধৰ অসমত আংশিক প্ৰভাৱ।

৩।	পঞ্চদশ বিত্ত আয়োগৰ পৰামৰ্শ অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ গ্ৰাম্য স্থানীয় সংস্থাসমূহলৈ দুহাজাৰ ১১৫ কোটি টকা আৱণ্টন।

৪।	অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত কেইবাপ্ৰকাৰৰো আপুৰুগীয়া ধাতুকে ধৰি খনিজ পদাৰ্থৰ সন্ধান লাভ।	**আৰু**

৫।	নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৫ হাজাৰ ৫৫০টা পদৰ বাবে অনুষ্ঠিত প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণত অনুপস্থিত প্ৰাৰ্থীৰ বাবে পুনৰ নথি পৰীক্ষণৰ ব্যৱস্থা।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিক্ষাৰ্থীসকলক অত্যাধুনিক তথ্য প্ৰযুক্তিৰ জ্ঞান আহৰণেৰে নিজকে সাম্প্ৰতিক সময়ৰ উপযোগী কৰি গঢ়ি তুলিবলৈ আহ্বান জনাইছে। তামুলপুৰ জিলাৰ গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এইদৰে আহ্বান জনায়।

**ৰাইট (চি এম)**

তেওঁ কয়, যে ভাৰতীয় পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ সৈতে আধুনিক ব্যৱস্থাৰাজি সংযোজিত হৈছে আৰু দেশৰ শিক্ষা ব্যৱস্থা সলনি হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে কৃত্ৰিম বুদ্ধিমত্তা আৰু আধুনিক প্ৰযুক্তিসমূহে জ্ঞান আহৰণৰ যাত্ৰা অধিক খৰতকীয়া কৰিছে। ২০৪৭ চনৰ ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সপোনৰ বিকশিত ভাৰত নিৰ্মাণৰ বাবে যুৱচামক নেতৃত্ব দিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ছাত্ৰ সমাজে প্ৰযুক্তিৰ সৈতে তাল মিলাই চলিলেহে সময়ৰ গতিত নিজক প্ৰতিষ্ঠিত কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। তথ্য-প্ৰযুক্তিৰ সৈতে শিক্ষাৰ্থীসকল সু-পৰিচিত হৈ থাকিলেহে শিক্ষানুষ্ঠানত তেওঁলোকে আহৰণ কৰা জ্ঞান ভৱিষ্যত কৰ্মক্ষেত্ৰত প্ৰাসংগিক হৈ থাকিব বুলি তেওঁ উল্লেখ কৰে। সমসাময়িক দৃশ্যৰ সৈতে খাপ খোৱাকৈ গুৱাহাটী বিশ্ববিদ্যালয়ে পাঠ্যপুথি প্ৰণয়নৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বড়োলেণ্ড বিশ্ববিদ্যালয়ক অনুৰূপ পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয়ৰ বিজ্ঞান শাখা মুকলিৰ বাবে এই বছৰৰ শেষৰফালে অনুমোদন জনোৱা হ'ব বুলি জানিবলৈ দিয়ে।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এদিনীয়া ভ্ৰমণসূচীৰে চিৰাং জিলাত উপস্থিত হৈ কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। মুখ্যমন্ত্ৰীয়ে পুৱাৰ ভাগত জিলাখনৰ সদৰ কাজলগাঁৱত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ

সমীপত নিৰ্মিত জিলা বিজেপিৰ কাৰ্যালয় গৃহটো মুকলি কৰিব। ইয়াৰ পাছত জিলাখনৰ প্ৰশাসনীয় মুৰব্বী বিষয়াসকলৰ সৈতে বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনি ৰূপায়ণৰ পৰ্যালোচনা বৈঠকত তেওঁ অংশ ল'ব। বিয়লিৰ ভাগত মুখ্যমন্ত্ৰীয়ে বিজনী জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত বিজেপিয়ে আয়োজন কৰা এখন ৰাজহুৱা সভাত অংশ ল'ব। সমাগত বিটিচি পৰিষদীয় নিৰ্বাচন সন্দৰ্ভত আয়োজিত এই সভাত দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকীও নেতাই অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ শ্ৰমিক বিৰোধী, কৃষক বিৰোধী নীতিৰ প্ৰতিবাদত ১০টা শ্ৰমিক সংগঠনৰ যৌথ মঞ্চই আজি আহ্বান জনোৱা ভাৰত বন্ধৰ ৰাজ্যখনত আংশিকভাৱে প্ৰভাৱ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীত আজি যাত্ৰীবাহী বাছৰ চলাচল সেৰেঙা যদিও লঘু যান বাহনৰ চলাচল হৈ থকা পৰিলক্ষিত হৈছে। কামৰূপ জিলাৰ আমিনগাঁৱৰ ই পি আই পি উদ্যোগ প্ৰতিষ্ঠানৰ শ্ৰমিক সংগঠনেও ধৰ্মঘট পালন কৰিছে। ডিব্ৰুগড়তো বন্ধৰ আংশিক প্ৰভাৱ দেখা গৈছে। দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য কাৰ্যালয়ত বন্ধৰ প্ৰভাৱ দেখা গৈছে। বঙাইগাঁৱৰ বি আৰ পি এলৰ কাম-কাজ স্বাভাৱিক হৈ আছে যদিও জিলাখনত যান বাহনৰ চলাচল কম হোৱা দেখা গৈছে। বৰাক উপত্যকাৰ শিলচৰ এই বন্ধৰ বিশেষ প্ৰভাৱ পৰিলক্ষিত হোৱা নাই। অৱশ্যে পথত যান-বাহনৰ চলাচল কিছু কম বুলি আমাৰ সংবাদদাতাগৰাকীয়ে জানিবলৈ দিছে।

০০০০০০

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক ৫ হাজাৰ ৫৫০টা পদৰ বাবে অনুষ্ঠিত হোৱা প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণত অনুপস্থিত থকা প্ৰাৰ্থীসকলৰ বাবে পুনৰ নথি পৰীক্ষণৰ ব্যৱস্থা কৰিছে। এই সন্দৰ্ভত প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণত উপস্থিত থাকিব নোৱাৰা বৰাক উপত্যকা প্ৰাৰ্থীসকলৰ বাবে ১১ আৰু ১২ জুলাইত নথি পৰীক্ষণ অনুষ্ঠিত হ'ব। একেদৰে ২০ মাৰ্চৰ পৰা ১১ এপ্ৰিললৈ অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নথি পৰীক্ষণত উপস্থিত নথকা প্ৰাৰ্থীসকলৰ বাবে ১৪ জুলাইত পুনৰ নথি পৰীক্ষণ অনুষ্ঠিত হ'ব। সঞ্চালকালয়ে সকলো প্ৰাৰ্থীকে নিৰ্ধাৰিত দিনত খানাপাৰা অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় অতিথিশালাত হ'বলগীয়া নথি পৰীক্ষণত উপস্থিত থাকিবলৈ নিৰ্দেশ জাৰি কৰিছে।

০০০০০

গোলাঘাটৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত হৈ আছে। ধনশিৰি নৈ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ ফলত বাঢ়নী পানীয়ে জিলাখনৰ গোলাঘাট, মৰঙি, খুমটাই, বোকাখাত আৰু সৰুপথাৰ ৰাজহ চক্ৰৰ শতাধিক গাঁও প্লাৱিত কৰিছে। জিলাখনৰ ২০ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। বানত উটি অহা জিলাখনৰ শিঙিমাৰী গাঁৱৰ মংলু ভূমিজ নামৰ লোকজনৰ মৃতদেহ কালি উদ্ধাৰ কৰা হয়। জিলাখনৰ বান পৰিস্থিতি তদাৰক কৰাৰ বাবে মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত বাহৰ পাতিছে। মন্ত্ৰীগৰাকীয়ে কালি জিলা আৱৰ্ত ভৱনত জিলা আয়ুক্ত আৰু প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হৈ বানপীড়িত লোকসকলৰ মাজত যাৱতীয় সাহায্য-সামগ্ৰী বিতৰণ কৰাৰ নিৰ্দেশ দিয়ে। বৈঠকত বানত ক্ষতিগ্ৰস্ত অঞ্চলৰ লোকসকলৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰাৰ নিৰ্দেশ দিয়া হয়। সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক মৃণাল শইকীয়া, বিশ্বজিৎ ফুকনৰ লগতে কেইবাগৰাকী নেতাই আশ্ৰয় শিবিৰসমূহ পৰিদৰ্শন কৰি জনসাধাৰণৰ অৱস্থাৰ বুজ লয়। জিলাখনৰ বান পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা হিৰণ্য গগৈ-

**ভইচ (হিৰণ্য গগৈ)**

oooooo

পঞ্চদশ বিত্ত আয়োগৰ পৰামৰ্শ অনুসৰি ভাৰত চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে অসমকে ধৰি উত্তৰ-পূবৰ ৰাজ্যসমূহৰ গ্ৰাম্য স্থানীয় সংস্থাসমূহলৈ ২ হাজাৰ ১১৫ কোটি টকা আবণ্টন দিছে। এই ধনৰ সৰ্বাধিক অংশ অসমে লাভ কৰিছে।

পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ তথ্য অনুসৰি অসমৰ বাবে এহেজাৰ ২৮৩ কোটি টকাৰ আবণ্টন ঘোষণা কৰা হৈছে। ইপিনে অৰুণাচল প্ৰদেশৰ বাবে ১৮৫ কোটি, মণিপুৰৰ বাবে ১৪২ কোটি, মেঘালয়ৰ বাবে ১৪৬ কোটি, মিজোৰামৰ বাবে ৭৪ কোটি, নাগালেণ্ডৰ বাবে ৯৯ কোটি, ছিকিমৰ বাবে ৩৩ কোটি টকা আৰু ত্ৰিপুৰাৰ বাবে ১৫৩ কোটি টকা টকা আবণ্টন দিয়া হৈছে।

কেন্দ্ৰীয় চৰকাৰে ২০২৬ চনৰ ৩১ মাৰ্চত কাৰ্যকাল শেষ হ'বলগীয়া পঞ্চদশ বিত্ত আয়োগৰ পৰামৰ্শ অনুসৰি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে দেশৰ ২৮ খন ৰাজ্যৰ গ্ৰাম্য স্থানীয় সংস্থাসমূহৰ বাবে ৪৮ হাজাৰ ৫৭৩ কোটি টকা আবণ্টন দিছিল। ২০২০-২১ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে এনেধৰণৰ ধন আবণ্টন দি আহিছে।

oooooo

ভাৰতীয় ভূ-বৈজ্ঞানীক জৰীপে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত কেইবাপ্ৰকাৰৰো আপুৰুগীয়া ধাতুকে ধৰি খনিজ পদাৰ্থৰ সন্ধান লাভ কৰিছে। এইসমূহৰ ভিতৰত গ্ৰেফাইট, ভেনাডিয়াম, লিথিয়াম, কোবাল্ট আদিকে ধৰি বেটাৰী, অৰ্ধপৰিবাহী আৰু উন্নত ধাতুৰ মিশ্ৰণ তৈয়াৰ কৰিবলৈ প্ৰয়োজন হোৱা ধাতু অন্যতম। এই খনিজ পদাৰ্থসমূহ দেশৰ সেউজ শক্তি, ডিজিটেল আন্তঃগাঁথনি আৰু প্ৰতিৰক্ষা উৎপাদনৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। অৰুণাচল প্ৰদেশত ফ্লেগ গ্ৰেফাইটৰ সন্ধান লাভ কৰা হৈছে। এই ফ্লেগ গ্ৰেফাইট দেশৰ ভিতৰতে আটাইতকৈ উল্লেখযোগ্য ঘৰুৱা উৎস হিচাপে চিহ্নিত হৈছে। ভাৰতীয় ভূ-বৈজ্ঞানীক জৰীপে ফ্লেগ গ্ৰেফাইটৰ উপৰি অৰুণাচল প্ৰদেশত ভেনাডিয়ামৰ উপস্থিতি লাভ কৰাৰ লগতে নাগালেণ্ড আৰু অসমত লিথিয়ামৰ ভাণ্ডাৰ মজুত থকাৰ উমান পাইছে। উল্লেখযোগ্য যে ভাৰতীয় ভূ-বৈজ্ঞানীক জৰীপে উত্তৰ-পূৰ্বাঞ্চলত আপুৰুগীয়া পদাৰ্থৰ সন্ধান ত্বৰান্বিত কৰিবলৈ ২০২৪-২৫ বৰ্ষত জটিল খনিজ মূল্যায়ন কাৰ্যসূচী আৰম্ভ কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে মণিপুৰ, নাগালেণ্ড, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ ইটামাটি, কাৰ্বনযুক্ত শিল আৰু ক্ষাৰকীয় জটিল সম্ভাৱনাৰ মূল্যায়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। অৰুণাচল প্ৰদেশত গ্ৰেফাইট, ভেনাডিয়াম, তাম আৰু আপুৰুগীয়া ধাতুৰ ১১টা ব্লক ইতিমধ্যে নিলামৰ বাবে গতাই দিয়া হৈছে।

oooooo

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক ৫ হাজাৰ ৫৫০টা পদৰ বাবে অনুষ্ঠিত হোৱা প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণত অনুপস্থিত থকা প্ৰাৰ্থীসকলৰ বাবে পুনৰ নথি পৰীক্ষণৰ ব্যৱস্থা কৰিছে। এই সন্দৰ্ভত প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণত উপস্থিত থাকিব নোৱাৰা বৰাক উপত্যকা প্ৰাৰ্থীসকলৰ বাবে ১১ আৰু ১২ জুলাইত নথি পৰীক্ষণ অনুষ্ঠিত হ'ব। একেদৰে ২০ মাৰ্চৰ পৰা ১১ এপ্ৰিললৈ অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নথি পৰীক্ষণত উপস্থিত নথকা প্ৰাৰ্থীসকলৰ বাবে ১৪ জুলাইত পুনৰ নথি পৰীক্ষণ অনুষ্ঠিত হ'ব। সঞ্চালকালয়ে

সকলো প্ৰাৰ্থীকে নিৰ্ধাৰিত দিনত খানাপাৰা অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় অতিথিশালাত হ'বলগীয়া নথি পৰীক্ষণত উপস্থিত থাকিবলৈ নিৰ্দেশ জাৰি কৰিছে।

০০০০০০

অসম সন্তান মঞ্জিত বৰ্মনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বায়ুসেনা বাহিনীৰ শীৰ্ষ পদত নিযুক্তি লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহ চক্ৰৰ ব্যাসকুছি গাঁৱৰ শ্ৰী বৰ্মন আমেৰিকাই যুক্তৰাষ্ট্ৰৰ বায়ুসেনা বাহিনীৰ মুখ্য তথ্য বিষয়া হিচাপে নিযুক্ত হৈছে। ব্যাসকুছিতে স্কুলীয়া শিক্ষা আৰম্ভ কৰি বৰ্মনে পৰৱৰ্তী কালত গোৱালপাৰাৰ সৈনিক স্কুলত শিক্ষা গ্ৰহণ কৰে। ভাৰতীয় বায়ু সেনা বাহিনীত চাকৰি কৰাৰ ইচ্ছা আছিল যদিও সেই সুযোগ লাভ নকৰাত শিলচৰৰ আঞ্চলিক অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা তেওঁ অভিযন্তাৰ ডিগ্ৰী লাভ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বায়ুসেনা বাহিনীত নিযুক্তি লাভ কৰাৰ পূৰ্বে তেওঁ দেশখনৰ কেইবাটাও আগশাৰীৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানত নিয়োজিত হৈ আছিল।

০০০০০০

অসম-মেঘালয় সীমান্তৱৰ্তী চেউৰাগ্ৰীত মেঘালয় আৰক্ষীয়ে অভিযান চলাই ৮৮২টা নিচাজাতীয় টেবলেটসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোকজন হৈছে মানকাচৰ কালাপানী এলেকাৰ সাগৰ আলী। উল্লেখযোগ্য অঞ্চলটোত দীৰ্ঘদিনৰ পৰা ড্ৰাগছ আৰু নিচাজাতীয় সামগ্ৰী সৰবৰাহক লৈ অভিযোগ উত্থাপন হৈ আহিছিল।

০০০০০০

অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি বিভাগৰ পৃষ্ঠপোষকতাত আৰু ৰাজ্যৰ সংগ্ৰহালয় সঞ্চালকালয় তথা ঢকুৱাখনা মহাবিদ্যালয়ৰ সহযোগিতাত আজিৰেপৰা অহা ১০ আগষ্টলৈ গুৱাহাটীস্থিত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ দ্বিতীয় মহলাত থকা বিশেষ প্ৰদৰ্শনী প্ৰেক্ষাগৃহত 'মুগাঃ অসমৰ সোণালী সূতা, ঢকুৱাখনাৰ গৌৰৱ' শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। প্ৰদৰ্শনীত ঢকুৱাখনাৰ মুগা শিল্পৰ কলাত্মক উপস্থাপন কৰা হ'ব। আজি পুৱা চাৰে ১১ বজাত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত প্ৰদৰ্শনী উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি ৰাজ্যৰ সংগ্ৰহালয়সমূহৰ সঞ্চালকে প্ৰকাশ কৰিছে।

০০০০০০

ধুবুৰী জিলাৰ চাপৰত প্ৰশাসনৰ উচ্ছেদ অভিযান, বিটিআৰৰ মুৰববী প্ৰমোদ বড়োৰ গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ, বিটিআৰত বিজেপিৰ প্ৰচাৰ অভিযান আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে উচ্ছেদৰ বাতৰিটোৰ সমান্তৰালকৈ কেন্দ্ৰীয় পৰিসংখ্যা আঁচনি ৰূপায়ণ মন্ত্ৰালয়ৰ প্ৰতিবেদনৰ ভিত্তিত প্ৰস্তুত কৰা এটা বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম 'ৰাজ্যৰ ৩১ টা কেন্দ্ৰীয় প্ৰকল্প নিৰ্মাণত বিলম্ব'। গোৱালপাৰা জিলাত পৰম্পৰাগত কৃষিৰ পৰিৱৰ্তে ক'ক' আৰু ভেনিলাৰ খেতিৰে কৃষক স্বাৱলম্বী হ'বলৈ চেষ্টা কৰিছে। এই সন্দৰ্ভত **দৈনিক অসম** কাকতে প্ৰস্তুত কৰা এটা বিতং বাতৰি আলোকচিত্ৰসহ এংকৰ হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম 'ক'ক', ভেনিলাৰ খেতিয়ে সলাব গোৱালপাৰাৰ অৰ্থনীতি'। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কালি নতুন দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। এই বাতৰিটো **আমাৰ অসম** কাকতে 'অমিত শ্বাহক সাক্ষাৎ, ৰাজ্যিক বিজেপিৰ বিৰুদ্ধে প্ৰমোদ বড়ো' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল**

কাকতেও এই বাতৰিটো আলোকচিত্ৰসহ বক্সত প্ৰকাশ কৰিছে। শৰাইঘাটৰ দ্বিতীয়খন ৰে'ল দলঙৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰা সন্দৰ্ভত প্ৰস্তুত কৰা এটা বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক জনমভূমি** কাকতে ধেমাজিত সাংবাদিক নিগ্ৰহৰ বিৰুদ্ধে সাংবাদিকৰ লগতে কেইবাটাও দল-সংগঠনে কৰা প্ৰতিবাদক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে উচ্ছেদৰ বাতৰিটোৰ সমান্তৰালকৈ উচ্ছেদৰ বিৰুদ্ধে বিভিন্ন স্থানত আমছুৱে কৰা প্ৰতিবাদৰ এটা বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে 'সমগ্ৰ দেশতে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী বিচাৰি আবেদন' শিৰোনামেৰে নিৰ্বাচনত অবৈধ বিদেশী নাগৰিকৰ অংশগ্ৰহণ ৰোধ কৰিবলৈ উচ্চতম ন্যায়ালয়ত জনোৱা আবেদনৰ ভিত্তিত প্ৰস্তুত কৰা এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে ধুবুৰীৰ উচ্ছেদৰ বাতৰিটোৰ সমান্তৰালকৈ ভাৰত আৰু আমেৰিকাৰ মাজৰ বাণিজ্য চুক্তিৰ এটা বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত